# Telephonic conversation between Prime Minister and Prime Minister of Ethiopia

May 06, 2020

# ভাৰত আৰু ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

মে' 06, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী মহামান্য ড০ আবী আহমেদ আলীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপত মিলিত হয়।

প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু ইথিঅ'পিয়াৰ মাজত ঘনিষ্ঠ সম্পৰ্কৰ কথা উল্লেখ কৰে আৰু লগতে উন্নয়নৰ ক্ষেত্ৰত দুয়োখন দেশৰ অংশীদাৰিত্বৰ কথাও দোহাৰে।

ক'ভিড-19ৰ ফলত উদ্ভৱ হোৱা ঘৰুৱা, আঞ্চলিক আৰু বৈশ্বিক প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত দুয়োগৰাকী নেতাই আলোচনা কৰে আৰু স্বাস্থ্য সংকটৰ সময়ত ইজনে আনজনৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে ড০ আবী আহমেদ আলীক ইথিঅ'পিয়াৰ প্ৰতি ভাৰতৰ সমৰ্থন, প্ৰয়োজনীয় ঔষধপাতিৰ যোগান নিশ্চিত কৰা আৰু মহামাৰীৰ ফলত হোৱা অৰ্থনৈতিক প্ৰভাৱ উন্নত কৰাৰ কাৰণে আশ্বাস দিয়ে।

প্ৰধানমন্ত্ৰীয়ে নিজৰ লগতে ভাৰতবাসীৰ হৈ কভিড-19-ৰ বিৰুদ্ধে যুঁজত ইথিঅ'পিয়াবাসীৰ সাফল্য কামনা কৰে।

**নতুন দিল্লী**
**মে' 06, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.